অধ্যায় ৬ ঃ সাহিত্যদর্পণ (ষষ্ঠ পৰিচ্ছেদ)— শ্ৰব্যকাব্য

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ শ্ৰব্য কাব্য আৰু তাৰ ভাগ

৬.৩.১ পদ্যৰ লক্ষণ আৰু ভাগ

৬.৩.২ মহাকাব্যৰ লক্ষণ (মূল পাঠ)

৬.৩.৩ মহাকাব্যৰ লক্ষণৰ অসমীয়া আলোচনা

৬.৩.৪ কাব্যৰ লক্ষণ

৬.৩.৫ খণ্ড কাব্যৰ লক্ষণ

৬.৩.৬ কোষ কাব্যৰ লক্ষণ

৬৩.৪ গদ্য কাব্যৰ লক্ষণ আৰু তাৰ ভাগ

৬.৪.১ কথা

৬.৪.২ আখ্যায়িকা

৬.৫ চম্পূ কাব্য

৬.৬ বিৰুদ আৰু কৰম্ভক

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শ্ৰব্য কাব্যনো কি সেইটো জানিব পাৰিব
- শ্ৰব্য কাব্য যে পদ্য আৰু গদ্যত ৰচিত এই বিষয়েও অৱগত হ'ব পাৰিব
- কাব্য, খণ্ডকাব্য, কোষকাব্য আৰু মহাকাব্যৰ লক্ষণসমূহো জানিব পাৰিব
- পদ্যৰ বিভিন্ন প্ৰকাৰৰ বিষয়েও জ্ঞান লাভ কৰিব
- গদ্যকাব্যৰ লক্ষণ আৰু তাৰ ভাগসমূহৰ বিষয়ে জানিব।

৬.২ পৰিচয়

সাহিত্যদর্পণৰ ষষ্ঠ পৰিচ্ছেদত দৃশ্য আৰু শ্ৰব্য কাব্যৰ বিশদ আলোচনা আছে। ইতিমধ্যে

আপুনি দৃশ্য কাব্যৰ বিষয়ে কিছু কথা জানিব পাৰিছে। দৃশ্য (কেৱল দেখাৰ উপযুক্ত) অর্থাৎ অভিনয়ৰ বাহিৰেও শুনাৰ বাবে উপযুক্ত কাব্যক যে শ্ৰব্য কাব্য বোলে সেই বিষয়ে আপুনি এই অধ্যায়ত জানিব পাৰিব।

সংস্কৃত সাহিত্যৰ অধ্যয়নৰ ক্ষেত্ৰত আপুনি 'কাব্য' বোলা শব্দটো নিশ্চয় শুনিছে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি কাব্যনো কি সেইটো জানিব পাৰিব। ছন্দত ৰচিত পদ্যই যে পদ্য কাব্য সেয়া এই অধ্যায়টি অধ্যয়ন কৰি বুজিব পাৰিব। ইয়াত শ্ৰব্য কাব্যৰ বিষয়েহে আলোচনা কৰা হৈছে। শ্ৰব্য কাব্য কাক বোলে, ই কেই প্ৰকাৰৰ আৰু প্ৰত্যেকৰ লক্ষণ আদিও আপুনি এই অধ্যায়টিৰ পৰা জানিব পাৰিব।

এই অধ্যায়টিত বিষয়বস্তুৰ সংস্কৃত পাঠৰ সন্ধিযুক্ত শব্দবোৰ বন্ধনীত সন্ধি ভাঙি দেখুৱা হৈছে, লগতে অসমীয়া অনুবাদ আৰু কিছু আলোচনাও কৰা হৈছে। ইয়াৰ পৰা আপুনি অতি সহজতেই বিষয়বস্তু আয়ত্ত কৰিব পাৰিব। পদ্যকাব্য কাক বোলে আৰু তাৰ প্ৰকাৰৰ বিষয়েও আপুনি জানিব পাৰিব আৰু মহাকাব্য, খণ্ড কাব্য, কোষকাব্য আদিৰ বিষয়েও অৱগত হ'ব পাৰিব। গদ্যৰ লক্ষণ আৰু তাৰ প্ৰকাৰৰ কথাও অধ্যয়ন কৰিব পাৰিব।

৬.৩ শ্ৰব্য কাব্য আৰু তাৰ ভাগ

সাহিত্যদর্পণৰ ষষ্ঠ পৰিচ্ছেদত নাটকৰ কথা আলোচনা কৰা হৈছে বুলি আপুনি জানিব পাৰিছে। আপুনি আৰু জানিলে যে নাটককেই দৃশ্য কাব্য আকৌ দৃশ্যকাব্যকেই ৰূপক বুলি কোৱা হৈছে। এইদৰে ৰূপক অর্থাৎ নাটকৰ আলোচনাৰ পিছত কেৱল শুনাৰ উপযুক্ত ছন্দত ৰচনা কৰা কাব্যৰ কথা কোৱা হৈছে। ছন্দ আৰু গদ্যত ৰচিত শুনাৰ উপযুক্ত কাব্যক শ্ৰব্য কাব্য বুলি কোৱা হয়। যি কাব্য কেৱল শুনিব পাৰি তাকেই শ্ৰব্যকাব্য বোলা হয়। শ্ৰব্য শব্দটোৰ অর্থই হৈছে শুনাৰ যোগ্য বা শুনাৰ উপযুক্ত। শ্ৰব্যকাব্য কেৱল পঢ়িবহে পাৰি, নাটকৰ দৰে অভিনয় কৰিব নোৱাৰি।

শ্ৰব্যকাব্যক দুই ভাগত ভগোৱা হৈছে। সেই ভাগ দুটা হৈছে— পদ্য আৰু গদ্য। সাহিত্য-দর্পণত কোৱা হৈছে—

"শ্ৰব্যম্ শ্ৰোতব্যমাত্ৰং তৎ পদ্যগদ্যময়ং দ্বিধা।"

অর্থাৎ কেৱল শুনাৰ বাবে উপযুক্ত বাবেই সি শ্ৰব্য, পদ্য আৰু গদ্য ভেদে সেইটো দুই প্ৰকাৰৰ।

৬.৩.১ পদ্যৰ লক্ষণ আৰু তাৰ ভাগ

আপুনি শ্ৰব্যকাব্য কাক বোলে আৰু তাৰ দুটা ভাগৰ কথা অধ্যয়ন কৰিলে। এতিয়া পদ্যৰ লক্ষণ আৰু তাৰ ভাগৰ বিষয়ে অৱগত হ'ব পাৰিব। **সাহিত্যদর্পণত** এইদৰে কোৱা হৈছে—

"ছন্দোবদ্ধপদং পদ্যং তেনৈকেন (তেন একেন) চ মুক্তকম্।

দ্বাভ্যামত্র যুগ্মকং সন্দানিতকং ত্রিভিৰিষ্যতে।।
কলাপং চতুর্ভিশ্চ পঞ্চভিঃ কুলকং মতম্।।"

অর্থাৎ ছন্দত ৰচিত পদকেই পদ্য বোলা হয়। তেনেকুৱা ৰচনাৰ এটা পদ্যত সম্পূর্ণ অর্থ প্রকাশ পালে তাক মুক্তক; দুটা পদ্যেৰে অর্থটো সম্পূর্ণ হ'লে তাক যুগ্মক; তিনিটা পদ্যত অর্থটো সম্পূর্ণ হ'লে তাক সন্দানিতক, চাৰিটা পদ্যত অর্থটো সম্পূর্ণ হ'লে তাক কলাপ আৰু পাঁচটাৰে অর্থ সম্পূর্ণ হ'লে তাক কুলক বোলা হয়। সন্দানিতকক তিলক বুলিও কোৱা হয়।

ছন্দত ৰচনা কৰা পদ্যত কোনো এটা বিশেষ বিষয় বর্ণনা কৰা হয়। তেনেকুৱা বিষয়ৰ বিৱৰণ দিওঁতে সম্পূর্ণ অর্থটো এফাঁকি পদ্যত সম্পূর্ণ নহ'বও পাৰে। দেখা যায় যে কেতিয়াবা বর্ণনা কৰিবলগীয়া বিষয়খিনি এফাঁকি পদ্যত প্রকাশ পায়। আকৌ কোনো কোনো ঠাইত দুই বা তিনিটা বা চাৰিটা আৰু কেতিয়াবা পাঁচটা পদ্যৰ মাজেৰেও অর্থ সম্পূর্ণ হয়। যেতিয়া এটা সম্পূর্ণ অর্থ এটা পদ্যত প্রকাশ পায় তেতিয়া তাক মুক্তক বুলি কোৱা হয়। দুটা পদ্যৰ মাজেৰে বাক্যটো সম্পূর্ণ হলে তাক যুগ্মক বোলা হয়। বাক্যটো তিনিটা পদ্য বা শ্লোকত প্রকাশ পালে তাক সন্দানিতক বুলি কোৱা হয়। চাৰিটা পদ্যত বাক্যটোৰ অর্থ সম্পূর্ণ হলে তাক কলাপক বুলি কোৱা হয়। পাঁচটা পদ্যৰ সহায়ত এটা বাক্যৰ অর্থ সম্পূর্ণ হ'লে তাক কুলক বোলা হয়।

পদ্যৰ সম্পূর্ণ অর্থ বুলি কোৱাত গোটেই কাব্যখনৰ বর্ণনীয় বিষয়বস্তুৰ সম্পূর্ণ অর্থক বুজোৱা নাই। বিষয়বস্তুৰ সম্পূর্ণ বিৱৰণ দিওঁতে তাৰ অংশবিশেষৰ অর্থৰ সম্পূর্ণতাৰ কথাহে কোৱা হৈছে। কালিদাসৰ 'ৰঘু বংশ'ৰ প্রথম সর্গৰ প্রথম শ্লোকত ক'বলৈ বিচৰা বিষয়খিনিৰ অর্থ এটা পদ্য বা শ্লোকত সম্পূর্ণ হৈছে। এতেকে সেইটো মুক্তক। তেনেদৰে 'মেঘদূত' কাব্যৰ প্রথম পদ্যত ক'ব বিচৰা কথা এটা শ্লোকত সম্পূর্ণকৈ প্রকাশ পাইছে। এতেকে সেইটোও মুক্তক। 'ৰামায়ণ', 'মহাভাৰত', 'পুৰাণ', 'কুমাৰ-সম্ভৱ' আদি সকলোবোৰতেই মুক্তক, যুগ্মক, সন্দানিতক আদি পদ্যৰ মাজেৰে বর্ণনা কৰিবলগীয়া বিষয় সম্পূর্ণকৈ প্রকাশ পোৱা দেখা যায়। অৱশ্যে মুক্তকৰ সংখ্যাই আটাইতকৈ বেছি। 'ৰঘুবংশ' মহাকাব্যৰ প্রথম সর্গত ৰঘুৰ বংশৰ ৰজাসকলৰ গুণাৱলীৰ বিৱৰণ দিওঁতে পঞ্চমৰ পৰা নৱমলৈকে পাঁচটা পদ্য বা শ্লোকৰ মাজেৰে গুণবোৰ বর্ণনা কৰা হৈছে অর্থাৎ এই পাঁচটা পদ্যতহে এটা বাক্য সম্পূর্ণ হৈছে। এই পাঁচটা শ্লোকৰ ভিতৰত এটাৰ লগত আনটোৰ অর্থৰ পিনৰপৰা সম্পর্ক আছে। এতেকে তাত কুলক পদ্যৰ সৃষ্টি হৈছে। কাব্য অধ্যয়ন কৰোঁতে যেতিয়া আপুনি এইদৰে এটা বাক্যৰ অর্থটো সম্পূর্ণ হওঁতে কেইবাটাও শ্লোক আগুৰি থকা দেখিবলৈ পাব, তেতিয়া সেইমতে (অর্থাৎ শ্লোকৰ সংখ্যা মতে) পদ্যটোৰ নামকৰণ কৰিব। পদ্যত বর্ণনা কৰিবলৈ লোৱা বিষয়খিনিৰ দৈর্ঘ্যক কেন্দ্র কৰিয়েই পদ্যৰ এই নামবোৰ কল্পিত হৈছে বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সাহিত্যদর্পণৰ ষষ্ঠপৰিচ্ছেদত কি বিষয় আলোচনা কৰা হৈছে লিখক।

.....

প্রশ্ন নং ২ ঃ শ্ৰব্য কাব্য কাক বোলা হয়?

.....

প্রশ্ন নং ৩ ঃ মুক্তক কাক কোৱা হয়?

.....

প্রশ্ন নং ৪ ঃ দুটা পদ্যত অর্থ সম্পূর্ণ হ'লে তাক কি বুলি কোৱা হয়?

.....

প্রশ্ন নং ৫ ঃ সন্দানিতক কাক বোলে লিখক।

.....

৬.৩.২ মহাকাব্যৰ লক্ষণ (মূল পাঠ)

আপুনি পদ্য কাক বোলে আৰু ইয়াৰ ভাগৰ বিষয়ে অধ্যয়ন কৰিলে। পদ্য যে শ্ৰব্য কাব্য তাকো জানিলে। এতিয়া ইয়াত আপুনি মহাকাব্যৰ কথা জানিবলৈ পাব।

মহাকাব্য শব্দটোৰ পৰাই আপুনি বুজিব পাৰিছে যে কাব্যতকৈ মহাকাব্য অলপ বেলেগ। আপুনি পদ্যৰ বিষয়ে অৱগত হৈছে। মহাকাব্যতো পদ্যৰ ব্যৱহাৰ যে অপৰিহার্য্য সেইটো আপুনি ইতিমধ্যে জানিব পাৰিছে। মহাকাব্যত বিভিন্ন ছন্দত ৰচিত পদ্যৰ সমাবেশ ঘটে। মহাকাব্যত পদ্যৰ পৰিবেশনপ্রণালী অলপ বেলেগ। মহাকাব্যৰ বিষয়বস্তু কাব্যতকৈ ডাঙৰ বা দীঘল হ'ব লাগে। তাত বর্ণনাৰ বিচিত্রতা, ৰস, গুণ, অলঙ্কাৰ আৰু নানা ধৰণৰ প্রাকৃতিক দৃশ্যৰ বিৱৰণ অতি মনোহৰ ৰূপত পোৱা যায়। সকলো ৰীতি (যি ঠাইত যেনেকুৱা শব্দৰ প্রয়োজন তেনেকুৱা শব্দ প্রয়োগক ৰীতি বোলা হয়), ৰস (শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্র, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত —এই নটাক কাব্যৰ ৰস বোলা হয়), গুণ (শ্লেষ, মাধুর্য্য, ওজঃ, সমতা, প্রসাদ, সুকুমাৰতা, অর্থব্যক্তি, উদাৰতা, কান্তি আৰু সমাধি —এই দহটাক কাব্যৰ গুণ বুলি কোৱা হয়। ইয়াৰ ভিতৰত মাধুর্য্য, ওজঃ আৰু প্রসাদেই প্রধান) আৰু অলঙ্কাৰ (উপমা, ৰূপক, উৎপ্রেক্ষা, অর্থান্তৰন্যাস আদিক কাব্যৰ অলঙ্কাৰ বোলা হয়) আদিৰে শোভিত হলে তাক মহাকাব্য বোলা হয়। তেনেকুৱা মহাকাব্যৰ কৰিক মহাকৰি বুলি কোৱা হয়। ইয়াত কব পাৰি যে মহাকাব্যও শ্ৰব্য কাব্য।

'**সাহিত্যদর্পণ**'ত মহাকাব্যৰ লক্ষণ এনেদৰে নির্ণয় কৰা হৈছে—

"সর্গবন্ধো মহাকাব্যং তত্রৈকো নায়কঃ সুৰঃ।

সদ্বংশঃ ক্ষত্রিয়ো বাপি ধীৰোদাত্তগুণান্বিতঃ

(ধীৰ-উদাত্ত-গুণ -অন্বিতঃ)।।
এক বংশভৱা ভূপাঃ কুলজা বহৱোঽপি বা।
শৃঙ্গাৰবীৰশান্তানামেকোঽঙ্গীৰস (শান্তানাম্ একঃ অঙ্গীৰসঃ) ইষ্যতে।।
অঙ্গানি সর্ৱেঽপি ৰসাঃ সর্ৱে নাটকসন্ধয়ঃ।
ইতিহাসোদ্ভৱং (ইতিহাস উদ্ভৱম্) বৃত্তমন্যদ্বা
(বৃত্তম্ অন্যৎ বা) সজ্জনাশ্রয়ম্ (সৎ-জন-আশ্রয়ম্)।।
চত্বাৰস্তস্য বর্গাস্তেষ্বেকঞ্চ (বর্গাঃ তেষু একং চ) ফলং ভৱেৎ।
আদৌ নমস্ক্রিয়াশীর্বা (নমঃ-ক্রিয়া আশীঃ বা) বস্তুনির্দেশ এৱ বা।।
ক্বচিন্নিন্দা খলাদীনাং সতাঞ্চ গুণকীর্ত্তনম্।
একবৃত্তময়ৈঃ পদ্যৈৰৱসানেঽন্যবৃত্তকৈঃ (পদ্যৈঃ অৱসানে অন্যবৃত্তকৈঃ)।।
নাতিস্বল্পা নাতিদীর্ঘাঃ সর্গা অষ্টাধিকা ইহ।
নানাবৃত্তময়ঃ ক্বাপি সর্গঃ কশ্চন দৃশ্যতে।।
সর্গান্তে ভাৱিসর্গস্য কথায়াঃ সূচনং ভৱেৎ।
সন্ধ্যাসূর্য্যেন্দুৰজনী প্রদোষধ্বান্তবাসৰাঃ।।
প্রাতর্মধ্যাহ্নমৃগয়া শৈলর্তু বনসাগৰাঃ
(প্রাতঃ-মধ্যাহ্ন-মৃগয়া-শৈল-ঋতু-ৱন -সাগৰাঃ)।
সম্ভোগবিপ্রলম্ভৌ চ মুনিস্বর্গপুৰাধ্ৱৰাঃ (মুনি স্বর্গপুৰ-অধ্ৱৰাঃ)।।
ৰণপ্রয়াণোপযমমন্ত্রপুত্রোদয়াদয়ঃ (ৰণ-প্রয়ান-উপযম-মন্ত্র পুত্র-উদয়-আদয়ঃ)।
বর্ণনীয়াঃ যথাযোগং সাঙ্গোপাঙ্গা অমীহ।।
কৱের্বৃত্তস্য বা নাম্না নায়কস্যেতৰস্য (নায়কস্য ইতৰস্য) ৱা।
নামাস্য সর্গোপাদেয়কথয়া (সর্গ-উপাদেয় কথয়া) সর্গ নাম তু।।

৬.৩.৩ মহাকাব্যৰ লক্ষণৰ অসমীয়া আলোচনা

মহাকাব্য সর্গত বিভক্ত হ'ব লাগে। তাৰ নায়কজন দেৱতা বা সৎ বংশত ওপজা ক্ষত্রিয়ও হ'ব পাৰে। নায়কজন ধীৰ আৰু উদাত্ত গুণসম্পন্ন হ'ব লাগে (ধীৰোদাত্ত নায়ক স্বভাৱতে বৰ গম্ভীৰ, ন্যায়শীল, ক্ষমাশীল আৰু ধীৰ প্রকৃতিৰ হয়। তেনেকুৱা নায়ক সাধাৰণতে খং আৰু শোক আদিৰ বশীভূত নহয়) নাইবা একেটা বংশত ওপজা সদ্ বংশৰ ৰাজকুমাৰ সকলো নায়ক হ'ব পাৰে। শৃঙ্গাৰ, বীৰ প্রধান ৰস হিচাপে পৰিগণিত হয় আৰু আন ৰসবোৰো প্রধান ৰসৰ অধীনত থাকে। মহাকাব্যত প্রয়োজনীয় পাঁচটা সন্ধি থাকিব লাগে। মহাকাব্যৰ কাহিনী ইতিহাস প্রসিদ্ধ বা কোনো বিখ্যাত গ্রন্থৰপৰা সংগ্রহীত হব লাগে। কেতিয়াবা কোনো বিখ্যাত লোকৰ কাহিনীৰ অৱলম্বনত মহাকাব্য ৰচিত হ'ব পাৰে। মহাকাব্যৰ বর্ণনা চাৰিটা বর্গত (ধর্ম্ম, অর্থ, কাম আৰু মোক্ষ) বিভক্ত হব লাগে। কিন্তু, মহাকাব্যৰ মুখ্য ফলৰ লগত সেইবোৰৰ সম্পর্ক থাকিব লাগে, অর্থাৎ

চতুবর্গ বিভাজন কেতিয়াও মহাকাব্যৰ মুখ্য ফলৰপৰা আঁতৰি গৈ অনাৱশ্যকভাৱে ধর্ম্ম বা অর্থ বা কাম বা মোক্ষৰ বর্ণনা দিব নালাগে। মহাকাব্যৰ আৰম্ভণিত স্তুতি বা আশীর্ব্বাদমূলক কথা নাইবা কেতিয়াবা মহাকাব্যৰ বিষয়বস্তুৰ আভাসপূর্ণ কথা থাকিব লাগে। তাত দুষ্টৰ নিন্দা আৰু সৎলোকৰ গুণানুকীর্ত্তন ঠাইবিশেষে থাকিব লাগে।

মহাকাব্যৰ সর্গৰ পদ্য একেটা ছন্দত ৰচিত হ'ব লাগে আৰু সর্গটোৰ শেষৰ ফালে ছন্দৰ পৰিৱর্ত্তন ঘটিব লাগে। মহাকাব্যত আঠটাতকৈ বেছি সর্গ থাকিব লাগে আৰু সর্গবোৰ খুব চুটি নাইবা খুব দীঘলো হব নালাগে। কেতিয়াবা কেতিয়াবা একেটা সর্গতেই নানা ছন্দত ৰচিত পদ্যও দেখা যায়। একোটা সর্গৰ শেষত পৰৱর্তী সর্গত বর্ণনা কৰিবলগীয়া বিষয়বস্তুৰ আভাস থাকিব লাগে অর্থাৎ একোটা সর্গৰ শেষত পাছৰ সর্গৰ বিষয়বস্তুৰ সংকেত থাকিব লাগে।

মহাকাব্যৰ বিৱৰণত সন্ধ্যা, চন্দ্ৰ, সূর্য্য, ৰাতি, গধূলি, অন্ধকাৰ, দিন, ৰাতিপুৱা, দুপৰীয়া, চিকাৰ, পর্বত , ঋতু, বন-উপবন, সাগৰ আদিৰ বিৱৰণ থাকিব লাগে। মহাকাব্যৰ বর্ণনাত সম্ভোগ আৰু বিপ্ৰলম্ভ (মিলন আৰু বিচ্ছেদ) ৰসৰ বর্ণনা ঠাই বিশেষে থাকিব লাগে। মুনি-ঋষি, স্বর্গ, নগৰ, যজ্ঞ, যুদ্ধ, বিজয় অভিযান, বিবাহ, ৰাজপৰামর্শ, পুত্ৰৰ জন্ম আৰু এই ধৰণৰ আনুষঙ্গিক বর্ণনা মূল বিষয়বস্তুৰ লগত সঙ্গতিপূর্ণভাৱে পৰিবেশিত হব লাগে। মহাকাব্যৰ নামকৰণ সদায় তাৰ মূল কাহিনীৰ অৱলম্বনত হ'ব লাগে। কেতিয়াবা কৱিৰ নাম অনুসৰি নাইবা নায়কৰ নাম অনুসৰিও মহাকাব্যৰ নাম হ'ব পাৰে। একোটা সর্গত বর্ণনা কৰা বিষয়বস্তুৰ আধাৰত সর্গৰ নাম ৰাখিব লাগে।

বিশ্বনাথ কৱিৰাজে বৃত্তিত আকৌ কৈছে যে সন্ধিৰ অঙ্গবোৰো যথাসম্ভৱ মহাকাব্যত ব্যৱহাৰ কৰিব লাগে। 'সাঙ্গোপাঙ্গ' বুলি কোৱাত জল-ক্ৰীড়া, সুৰাপান আদিৰ বর্ণনাও মহাকাব্যত থাকিব পাৰে বুলি কোৱা হৈছে।

নাটকৰ দৰে মহাকাব্যতো পাঁচটা সন্ধিৰ আৱশ্যক। পঞ্চসন্ধিয়ে মহাকাব্যৰ কাহিনীক ক্ৰমে পৰিণতিৰ পিনে আগুৱাই নিয়ে। মূল বিষয় মুখসন্ধিত আৰম্ভ হয় আৰু ই লাহে লাহে মুখ্য ফলৰ পিনে গতি কৰে। গর্ভসন্ধিত মুখ্য বিষয় পুষ্ট হয় আৰু পিছত কাহিনীৰ বর্ণনা ক্ৰমে কমিবলৈ ধৰে আৰু শেষত মুখ্য ফলৰ উদয়ত মহাকাব্যৰ সমাপ্তি ঘটে। অর্থপ্ৰকৃতিসমূহ প্ৰয়োজন সিদ্ধিৰ হেতু। অর্থপ্ৰকৃতি পাঁচটা। নায়ক আদিৰ কার্য্যবশতঃ পাঁচটা অৱস্থাৰ সৃষ্টি হয়। পাঁচটা অর্থ প্ৰকৃতি আৰু পাঁচটা অৱস্থাৰ মাজেৰে পাঁচটা সন্ধিৰ সৃষ্টি হয় আৰু কাহিনীক ক্ৰমে পৰিণতিৰ ফালে আগুৱাই নিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ কুলক কাক বোলে লিখক।

.....

প্রশ্ন নং ৭ ঃ মহাকাব্যৰ অধ্যায়বোৰক কি বুলি কোৱা হয়?

.....

প্রশ্ন নং ৮ ঃ মহাকাব্যৰ প্রধান ৰস কোনটো?

.....

.....

প্রশ্ন নং ৯ ঃ মহাকাব্যৰ নায়কজন কেনেকুৱা গুণসম্পন্ন হ'ব লাগে লিখক।

.....

প্রশ্ন নং ১০ ঃ মহাকাব্যত এজনতকৈ বেছি নায়ক থাকিব পাৰেনে?

.....

৬.৩.৪ কাব্যৰ লক্ষণ

আপুনি মহাকাব্যৰ বিষয়ে অধ্যয়ন কৰিলে।এতিয়া ইয়াত আপুনি কাব্যৰ কথা জানিব পাৰিব। কৰিয়ে যিকোনো বিষয় সম্পূর্ণৰূপে ছন্দোময় ভাষাত প্রকাশ কৰিলে তাক কাব্য বোলা হয়। কাব্য সংস্কৃত, প্রাকৃত বা অপভ্রংশ আদি যিকোনো ভাষাতেই ৰচিত হ'ব পাৰে (সংস্কৃতৰ পৰা উৎপন্ন হোৱা ভাষাক প্রাকৃত আৰু প্রাকৃতৰপৰা হোৱা ভাষাক অপভ্রংশ ভাষা বোলা হয়)।

কাব্যত কেৱল একেটা বিষয়বস্তুহে পদ্যবোৰৰ সহায়ত প্রতিপাদিত হয়। তাত সর্গ বিভাজন নাথাকে (কেইবাটাও পদ্যৰ সমষ্টিত ডাঙৰ বিষয়বস্তুৰ এটা অংশ বর্ণনা কৰা ভাগক সর্গ বোলা হয়)। কাব্যত পঞ্চ সন্ধিৰো কোনো প্রয়োজন নাথাকে। **সাহিত্যদর্পণত** কাব্যৰ লক্ষণৰ বিষয়ে কোৱা হৈছে—

"ভাষাবিভাষানিয়মাৎ কাব্যং সর্গসমুজ্ঝিতম্।
একার্থশ্রৱণৈঃ পদ্যৈঃ সন্ধিসামগ্র্যবর্জিতম্।।"

অর্থাৎ সংস্কৃত (ভাষা), প্রাকৃত আৰু অপভ্রংশ (বিভাষা) ভাষাত সর্গবিভাজন ৰহিত (সর্গ সমুজ্ঝিতম্) আৰু সন্ধি নথকা (সন্ধিসামগ্র্যবর্জিতম্) একেটা বিষয়বস্তুক লৈ ৰচনা কৰা পদ্যবোৰৰ সমষ্টিকেই কাব্য বুলি কোৱা হয়।

দেখা গ'ল যে কাব্য হৈছে পদ্যৰ সমষ্টি। এতেকে কাব্যত মুক্তক, যুগ্মক, সন্দানিতক, কলাপ আৰু কুলক শ্রেণীৰ পদ্য থাকিব পাৰে। কাৰণ পদ্যত বর্ণনা কৰিবলৈ লোৱা বিষয়টোৰ সম্পূর্ণতাৰ ওপৰত পদ্যৰ মুক্তক, যুগ্মক আদি শ্রেণীসমূহ নির্ভৰ কৰে।

৬.৩.৫ খণ্ডকাব্যৰ লক্ষণ

আপুনি কাব্যৰ কথা অধ্যয়ন কৰিলে। ইয়াত খণ্ডকাব্যৰ বিষয়ে অৱগত হ'ব পাৰিব। 'খণ্ড-কাব্য' শব্দটোতেই কাব্যৰ খণ্ড অর্থাৎ অংশ এনেকুৱা অর্থ সোমাই আছে। কাব্যৰ এটা দিশ খণ্ড কাব্যত থাকে। খণ্ডকাব্যতো পদ্যৰ লক্ষণ কাব্য বা মহাকাব্যৰ দৰে একেই থাকে। এই শ্ৰেণীৰ কাব্যত আংশিকভাৱে কাব্যক অনুসৰণ কৰা হয় কাৰণেই খণ্ডকাব্য বুলি কোৱা হয়।

যি কাব্যত অর্থাৎ পদ্যময় ৰচনাত কাব্যৰ কিছু কিছু লক্ষণ মানি চলা হয় তাক খণ্ড কাব্য বোলা হয়। খণ্ড কাব্যত বিষয়বস্তু সর্গত বিভক্ত নহয়। কিন্তু, খণ্ড কাব্যতো পর্ব্বত-পাহাৰ, নদ-নদী, নগৰ, বন-উপবন, সাগৰ আদিৰ বিৱৰণ থাকিব পাৰে। এই কাব্যৰ লক্ষণৰ বিষয়ে কোৱা হৈছে—

"খণ্ডকাব্যং ভৱেৎ কাব্যস্যৈকদেশানুসাৰি চ।"

অর্থাৎ কাব্যৰ কিছুমান লক্ষণ থকা পদ্যময় ৰচনাকেই খণ্ডকাব্য বুলি কোৱা হয়। ইয়াত ভাষা, বিভাষাৰ নিয়ম নাথাকে। সেই কাৰণেই খণ্ডকাব্য কেৱল সংস্কৃত ভাষাত ৰচিত হ'ব লাগে। ইয়াত সন্ধি আদিৰো কোনো প্ৰয়োজন নাথাকে। মহাকৰি কালিদাসৰ ৰচিত 'মেঘদূত' এখন বিখ্যাত খণ্ডকাব্য। ধোয়ি নামৰ কৰিয়ে 'পৱনদূত' নামৰ খণ্ডকাব্য ৰচনা কৰিছে।

৬.৩.৬ কোষ কাব্য

আপুনি খণ্ডকাব্যৰ কথা অধ্যয়ন কৰিলে। এতিয়া ইয়াত কোষ কাব্যৰ বিষয়ে জানিব পাৰিব।

সংস্কৃতত কোষকাব্য নামেৰেও আন এবিধ পদ্যকাব্য আছে। কাব্যত এটা বিষয়ক লৈ পদ্যবোৰ ৰচিত হয় আৰু এটা পদ্যৰ লগত আনটো পদ্যৰ সম্পর্ক থাকে। কিন্তু, কোষ কাব্যত একো একোটা শ্লোক একোটা বিষয়ক লৈ ৰচিত হয় আৰু একে জাতীয় পদ্য একেলগে খাপ খোৱাই লিখা হয়। **সাহিত্যদর্পণত** কোৱা হৈছে—

"কোষঃ শ্লোকসমূহস্তু স্যাদন্যোন্যাপেক্ষকঃ।
ব্রজ্যাক্রমেণ ৰচিতঃ স এৱাতি মনোৰমঃ।।"

অর্থাৎ এটা (শ্লোক) আনটোৰ ওপৰত নির্ভৰ নকৰাকৈ একে জাতীয় অর্থত ৰচিত শ্লোকবোৰৰ মনোৰম বিৱৰণক কোষকাব্য বুলি কোৱা হয়।

কোষ কাব্যত এটা পদার্থকেই অৱলম্বন কৰি শ্লোকবোৰ একেলগে গোটাই ৰচনা কৰা হয়। ইয়াত শ্লোকবোৰ ইটোৱে সিটোৰ ওপৰত নির্ভৰ নকৰিলেও এটা পদার্থৰ অৱলম্বনত বিবিধ গুণ বর্ণনাৰ প্ৰসঙ্গত ৰচিত হয়। সজাতীয় পদার্থৰ বর্ণনাৰে ৰচিত শ্লোকসমূহ একেলগে সন্নিবেশ কৰিলেই কোষ কাব্যৰ উৎপত্তি হয়।

খণ্ড কাব্যত শ্লোকবোৰৰ মাজত পৰস্পৰ সম্পৰ্ক থাকে। কিন্তু কোষ কাব্যত তেনেকুৱা সম্পৰ্ক নাথাকে। তাত এটা পদাৰ্থৰ বিবিধ গুণৰ বৰ্ণনা প্ৰসঙ্গতহে শ্লোকবোৰ ৰচনা কৰা হয়। উদাহৰণ হিচাপে 'মুক্তাৱলী', 'শ্ৰীকৃষ্ণকৰ্ণামৃতম্' আদি কাব্যৰ কথা উল্লেখ কৰিব পাৰি।



জানি থোৱা ভাল

- 'ব্ৰজ্যা' বুলিলে একেটা পদাৰ্থক অৱলম্বন কৰি ৰচনা কৰা একে জাতীয় পদ্যৰ ক্ৰমক বুজায়।
- 'ভাষা' বুলিলে সংস্কৃত ভাষাক বুজায়। 'বিভাষা' পদে সংস্কৃতৰ পৰা ওলোৱা প্ৰাকৃত আৰু তাৰপৰা ওলোৱা অপভ্ৰংশভাষাক বুজায়।
- সংস্কৃত ভাষাত পদ্য আৰু শ্লোক একেটা অৰ্থত ব্যৱহাৰ হয়। শ্লোক বুলি ক'লে কোনো বিষয়ক লৈ লিখা কেৱল এফাঁকি পদ্যক বুজায়। কিন্তু, কাব্য বুলি ক'লে সাধাৰণতে এটাতকৈ বেছি শ্লোকক বুজায়।

৬.৪ গদ্য কাব্যৰ লক্ষণ আৰু তাৰ ভাগ

আপুনি সাহিত্যদৰ্পণৰ ষষ্ঠ পৰিচ্ছেদত ছন্দত ৰচিত পদ্য, তাৰ প্ৰকাৰ, খণ্ডকাব্য, কোষ কাব্য আৰু মহাকাব্যৰ কথা অধ্যয়ন কৰিলে। পদ্য আৰু গদ্য এই দুয়োবিধেই শ্ৰব্য কাব্য। কাৰণ, এইবোৰ কাব্য শুনাৰ উ পযুক্ত।

আপুনি এতিয়া গদ্য কাব্যৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব। গদ্য কাব্যৰ আলোচনাৰ আৰম্ভণিতেই বিশ্বনাথ কৰিৰাজে গদ্যৰ লক্ষণ আৰু ইয়াৰ প্ৰকাৰৰ বিষয়ে কৈছে। সাহিত্যদৰ্পণত এনেকৈ কোৱা হৈছে—

"বৃত্তগন্ধোজ্ঝিতং গদ্যং মুক্তকং বৃত্তগন্ধি চ।
ভবেদুৎকলিকাপ্ৰায়ং চূৰ্ণকং চ চতুৰ্বিধম্।।"

গদ্যৰ সূত্ৰটিৰ পৰা ইয়াকে বুজা যায় যে ছন্দত ৰচিত নোহোৱা পদসমূহকেই গদ্য বোলা হয়। এই গদ্য চাৰি প্ৰকাৰৰ। যেনে— মুক্তক, বৃত্তগন্ধি, উৎকলিকাপ্ৰায় আৰু চূৰ্ণক।

বিশ্বনাথ কৰিৰাজে প্ৰত্যেকবিধ গদ্যৰ লক্ষণ আলোচনা কৰিছে। তেওঁ কৈছে—

"আদ্যং সমাসৰহিতং বৃত্তভাগযুতং পৰম্।
অন্যদ্দীৰ্ঘসমাসাঢ্যং তূৰ্যং চাল্পসমাসকম্।।"

এই চাৰিবিধ গদ্যৰ ভিতৰত প্ৰথম বিধত অৰ্থাৎ মুক্তকগদ্যত সমাসৰ প্ৰয়োগ নাথাকে। দ্বিতীয় শ্ৰেণীত অৰ্থাৎ বৃত্তগন্ধিগদ্যত কিছু পদ্যৰ সংযোগ থাকে। উৎকলিকাপ্ৰায় শ্ৰেণীৰ গদ্যত দীঘলীয়া সমাসবদ্ধ পদৰ ব্যৱহাৰ কৰা হয়। চতুৰ্থবিধত অৰ্থাৎ চূৰ্ণকত অলপ অলপ সমাসৰ ব্যৱহাৰ কৰা হয়।

সংস্কৃত গদ্যকাব্যক আকৌ আনধৰণে ভাগ কৰা যায়। সেই ধৰণৰ বিভাজন অনুসৰি গদ্যকাব্য দুবিধ— কথা আৰু আখ্যায়িকা।

৬.৪.১ কথা কাব্য

আপুনি গদ্যৰ লক্ষণ আৰু ই কেই প্ৰকাৰৰ সেই বিষয়ে অধ্যয়ন কৰিলে। এতিয়া আপুনি কথা আৰু আখ্যায়িকা নামৰ গদ্য কাব্যৰ লক্ষণৰ বিষয়ে অৱগত হ'ব পাৰিব।

প্ৰথমতে বিশ্বনাথ কৰিৰাজে কথা শ্ৰেণীৰ গদ্যকাব্যৰ লক্ষণৰ আলোচনা কৰিছে। সাহিত্যদৰ্পণত কোৱা হৈছে—

"কথায়াং সৰসং বস্তু গদ্যৈৰেব বিনির্মিতম্।
ক্বচিদত্র ভৱেদার্য্যা ক্বচিদ্বক্তপৱক্তকে।
আদৌ পদ্যৈর্নমস্কাৰঃ খলাদের্বৃত্তকীর্তনম্।।"

অর্থাৎ কথা নামৰ গদ্যকাব্যত বিষয়বস্তু শৃঙ্গাৰ আদি ৰসযুক্ত হ'ব লাগে। বিষয়বস্তুৰ বিৱৰণ গদ্যত থাকিব লাগে। কোনো কোনো ঠাইত ***আর্য্যা*** ছন্দত শ্লোক আকৌ ক'ৰবাত **ৱক্ত্র** আৰু ***অপৱক্ত্রক*** ছন্দত ৰচিত শ্লোকো থাকিব পাৰে। কাব্যৰ আৰম্ভণিত পদ্যত ৰচিত স্তুতি থাকিব লাগে। কথা শ্ৰেণীৰ গদ্যকাব্যত দুষ্ট চৰিত্ৰৰ বৰ্ণনা থাকিব লাগে। বিখ্যাত সংস্কৃত গদ্যৰচয়িতা বাণভট্টৰ 'কাদম্বৰী' নামৰ গ্ৰন্থখন কথাকাব্যৰ অন্তৰ্গত।



আর্য্যা ঃ আর্য্যা মাত্ৰাৰ ওপৰত নির্ভৰ কৰা এবিধ ছন্দ। ইয়াত চাৰিটা চৰণ থাকে। প্ৰথম চৰণৰ ১২ মাত্ৰা, দ্বিতীয় চৰণত ১৮ মাত্ৰা, তৃতীয় চৰণত ১২ মাত্ৰা আৰু চতুৰ্থ চৰণত ১৫টা মাত্ৰা থাকে।

ৱক্ত্র ঃ ৱক্ত্রও এবিধ ছন্দৰ নাম। অনুষ্টুভ নামৰ আঠটা বর্ণ যুক্ত ছন্দৰ চতুৰ্থ বর্ণৰ পিছৰ য-গণ তথা দ্বিতীয় আৰু চতুৰ্থ পাদত ম-গণ আৰু এটা বর্ণ গুৰু হ'লে তাক বক্ত্র ছন্দ বোলা হয়।

অপৱক্ত্র ঃ অপৱক্ত্রও এবিধ ছন্দৰ নাম। যি ছন্দৰ প্ৰথম আৰু তৃতীয় পাদত দুটা ন-গণ; ৰ-গণ আৰু শেষৰ দুটা বর্ণ ক্ৰমে লঘু আৰু গুৰু হয় আৰু দ্বিতীয় আৰু চতুৰ্থ চৰণত ন-গণ, দুটা জ-গণ আৰু ৰ-গণ হয় তাক অপৱক্ত্র ছন্দ বোলা হয়।

৬.৪.২ আখ্যায়িকা

আপুনি কথা নামৰ গদ্য কাব্যৰ বিষয়ে অধ্যয়ন কৰিলে। এতিয়া ইয়াত আখ্যায়িকা নামৰ গদ্যকাব্যৰ বিষয়ে অধ্যয়ন কৰিব। এই কাব্যৰ লক্ষণৰ বিষয়ে কোৱা হৈছে—

"আখ্যায়িকা কথাৱৎ স্যাৎ কৱের্ৱংশানুকীর্ত্তনম্।
অস্যামন্যকৱীনাং চ বৃত্তং পদ্যং ক্বচিৎ ক্বচিৎ।।
কথাংশানাং ব্যৱচ্ছেদ আশ্বাস ইতি বধ্যতে।
আর্য্যাবক্ত্রাপৱক্ত্রাণাং ছন্দসা যেন কেনচিৎ।।
অন্যাপদেশেনাশ্বাসমুখে ভাৱ্যর্থসূচনম্।।"

অর্থাৎ কথাৰ দৰে আখ্যায়িকাও গদ্য কাব্য। ইয়াত কৰিৰ বংশৰ বিৱৰণ থাকিব লাগে। আখ্যায়িকাত আন কৰিৰ চৰিত্ৰৰ বিৱৰণো থাকে। আখ্যায়িকাত মাজে মাজে পদ্যও থাকে। আখ্যায়িকা নামৰ কাব্যত আখ্যানৰ বর্ণনাৰ ভাগ একোটাক আশ্বাস বুলি কোৱা হয়। আখ্যায়িকাত আর্য্যা, বক্ত্র আৰু অপ্ৰৱক্ত্র নামৰ যিকোনো ছন্দত ৰচিত পদ্যও থাকিব পাৰে। আশ্বাসৰ আদি ভাগত আন বিষয়ৰ বর্ণনাৰ ছলেৰে ভৱিষ্যতৰ কোনো

বিষয়ৰ সূচনা দিয়া হয়। বাণভট্টৰ 'হৰ্ষচৰিত' নামৰ গদ্যকাব্যখন আখ্যায়িকা শ্ৰেণীৰ অন্তৰ্ভুক্ত।

৬.৫ চম্পূ কাব্য

আপুনি আখ্যায়িকা নামৰ গদ্য কাব্যৰ অধ্যয়ন কৰিলে। ইয়াত চম্পূকাব্যৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। এই বিষয়ে কোৱা হৈছে—

"গদ্যপদ্যময়ং কাব্যং চম্পূৰিত্যভিধীয়তে।"

অর্থাৎ গদ্য আৰু পদ্য মিহলাই ৰচনা কৰা কাব্যক চম্পূ কাব্য বুলি কোৱা হয়। উদাহৰণ হিচাপে আমি ত্ৰিবিক্ৰমভট্টৰ নলচম্পূৰ কথা ক'ব পাৰো।

৬.৬ বিৰুদ আৰু কৰম্ভক

আপুনি চম্পূ কাব্যৰ লক্ষণ অধ্যয়ন কৰিলে। এতিয়া ইয়াত বিৰুদ আৰু কৰম্ভকৰ কথা জানিব পাৰিব। **সাহিত্যদর্পণত** কোৱা হৈছে— "গদ্যপদ্যময়ী ৰাজস্তুতির্বিৰুদমুচ্যতে"। অর্থাৎ যেতিয়া ৰজাৰ উদ্দেশ্যত গদ্য আৰু পদ্যৰ সহায়ত স্তুতি ৰচনা কৰা হয়, তেতিয়া তাক বিৰুদ বুলি কোৱা হয়।

বহুতো ভাষাত ৰচনা কৰা কাব্যক কৰম্ভক বুলি কোৱা হয়। এইদৰে কোৱা হৈছে— "কৰম্ভকংতু ভাষাভির্বিবিধাভির্বিনির্মিতম্।"



জানি থোৱা ভাল

- মাত্ৰা বুলিলে বৰ্ণৰ উচ্চাৰণ কালক বুজায়। বৰ্ণৰ এটা মাত্ৰাক হ্ৰস্ব আৰু দুই মাত্ৰাক দীৰ্ঘ বোলা হয়। দীৰ্ঘতকৈয়ো বেছি হ'লে সি তিনিমাত্ৰাৰ হয়। তাক প্লুত বুলি কোৱা হয়। 'ৰাম' বুলি কওঁতে 'ৰ'ৰ লগত থকা আ-বৰ্ণ দুই মাত্ৰাৰ (দীৰ্ঘ) আৰু 'ম'ৰ লগত থকা অবৰ্ণ একমাত্ৰাৰ (হ্ৰস্ব) হয়। 'প্লুত' বৰ্ণটোত দীৰ্ঘতকৈয়ো বেছি দীঘলীয়া উচ্চাৰণ কাল হয়।
- 'বৃত্ত' শব্দই ছন্দকো বুজায়। আকৌ এই শব্দটো ঘটনা, কাহিনী, চৰিত্ৰ আদি অর্থতো ব্যৱহাৰ হয়। য'ত যি অর্থত ব্যৱহাৰ হয় তাত সেই অর্থটোহে গ্ৰহণ কৰিব লাগে।
- বাণভট্টক গদ্য কাব্যৰ জনক বুলি কোৱা হয়। তেওঁ 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত' নামেৰে দুখন গদ্যকাব্য ৰচনা কৰিছে। তাৰে প্ৰথমখন কথা আৰু আনখন (হৰ্ষচৰিত) আখ্যায়িকা।
- ছন্দশাস্ত্ৰত তিনিটা বৰ্ণৰ সমষ্টিক একো একোটা গণ বুলি কোৱা হয়। হ্ৰস্ব আৰু দীৰ্ঘ বৰ্ণৰ স্থিতি অনুসৰি গণবোৰৰ নাম ৰখা হৈছে, যেনে— য - গণ, ৰ - গণ, ত

- গণ, ভ - গণ, জ - গণ, স - গণ, ম - গণ আৰু ন - গণ। প্ৰথমটো হ্ৰস্ব হলে য - গণ, মাজৰটো হ্ৰস্ব হ'লে ৰ - গণ আৰু শেষৰটো হ্ৰস্ব হ'লে ত - গণ হয়। তেনেদৰে প্ৰথমটো দীৰ্ঘ হ'লে ভ - গণ, মাজৰটো দীৰ্ঘ হ'লে জ - গণ আৰু শেষৰটো দীৰ্ঘ হলে স - গণ হয়। তিনিওটা দীৰ্ঘ হ'লে ম-গণ আৰু তিনিওটা হ্ৰাস্ব হলে ন - গণ হয়। লঘু বৰ্ণ হ্ৰস্ব হয় আৰু গুৰু বৰ্ণ দীৰ্ঘ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ গদ্য কাক বোলে লিখক।

.....

প্ৰশ্ন নং ১২ ঃ গদ্য কাব্য পাঁচ প্ৰকাৰৰ। কাব্যটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্ৰশ্ন নং ১৩ ঃ কথা কাব্যৰ লক্ষণবোৰ আলোচনা কৰক।

.....

.....

প্ৰশ্ন নং ১৪ ঃ গদ্য আৰু পদ্যময় কাব্যক কি বুলি কোৱা হয় লিখক।

.....



৬.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- **সাহিত্যদর্পণ**ৰ ষষ্ঠ পৰিচ্ছেদত আলোচনা কৰা শ্ৰব্য কাব্যৰ কথা জানিব পাৰিলে।
- দৃশ্য কাব্যৰ দৰে শ্ৰব্য কাব্যতো যে সন্ধিৰ প্ৰয়োজন আছে তাকো আপুনি জানিলে।
- একাদিক্ৰমে এটা অর্থ প্ৰকৃতি আৰু এটা অৱস্থাৰ যোগত যে ক্ৰমে পাঁচটা সন্ধিৰ উৎপত্তি হয় সেইটোও আপুনি জানিলে।
- পদ্য কাব্যৰ ভাগবোৰৰ লক্ষণৰ কথাও জানিলে।
- গদ্য কাব্যৰ লক্ষণ আৰু ভাগবোৰৰ কথাও আপুনি জানিলে।



৬.৮ অধিক জানিবলৈ

১) ৰয়, কুমুদ ৰঞ্জন, *সাহিত্যদর্পণ* (ষষ্ঠ পৰিচ্ছেদ)।

২) শাস্ত্ৰী, আচাৰ্য্য মনোৰঞ্জন, *সাহিত্যদর্শন*।

৩) *সাহিত্যদর্পণ* লক্ষীটীকাসহ; বাৰাণসী ঃ চৌখাম্বা সংস্কৃত ছিৰিজ, অফিচ।

৪) *সাহিত্যদর্পণ* চন্দ্রকলাসংস্কৃত-হিন্দী ব্যাখ্যোপেতম্; বাৰাণসী ঃ কৃষ্ণদাস অকাডেমী।



৬.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ **সাহিত্যদর্পণ**ৰ ষষ্ঠ পৰিচ্ছেদত দৃশ্য আৰু শ্ৰব্য কাব্যৰ আলোচনা আছে।

২নং প্রশ্নৰ উত্তৰ ঃ যি কাব্য কেৱল শুনাৰ উপযুক্ত তাক শ্ৰব্যকাব্য বোলে।

৩নং প্রশ্নৰ উত্তৰ ঃ এটি পদ্যত বাক্যৰ অর্থ সম্পূর্ণ হ'লে তাক মুক্তক বোলা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ দুটা পদ্যত বাক্যৰ অর্থ সম্পূর্ণ হ'লে তাক যুগ্মক বোলা হয়।

৫নং প্রশ্নৰ উত্তৰ ঃ তিনিটা পদ্যত বাক্যৰ অর্থ সম্পূর্ণ হ'লে তাক সন্দানিতক বোলে।

৬নং প্রশ্নৰ উত্তৰ ঃ পাঁচটা পদ্যত বাক্যৰ অর্থ সম্পূর্ণ হ'লে তাক কুলক বোলে।

৭নং প্রশ্নৰ উত্তৰ ঃ মহাকাব্যৰ অধ্যায়বোৰক সর্গ বোলে।

৮নং প্রশ্নৰ উত্তৰ ঃ শৃঙ্গাৰ, বীৰ আৰু শান্ত এই তিনিটা ৰসৰ ভিতৰত যিকোনো এটাহে প্রধান ৰস হ'ব পাৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ মহাকাব্যৰ নায়কজন ধীৰোদাত্ত গুণসম্পন্ন হ'ব লাগে।

১০নং প্রশ্নৰ উত্তৰ ঃ মহাকাব্যত এজনতকৈ বেছি নায়ক থাকিব পাৰে।

১১নং প্রশ্নৰ উত্তৰ ঃ ছন্দত ৰচিত নোহোৱা কাব্যক গদ্য কাব্য বোলে।

১২নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

১৩নং প্রশ্নৰ উত্তৰ ঃ কথা নামৰ গদ্য কাব্যৰ বর্ণনা ৰসযুক্ত হ'ব লাগে। মাজে মাজে বক্ত আৰু অপৱক্ত ছন্দত ৰচিতশ্লোক থাকিব লাগে। আৰম্ভণিত পদ্যত ৰচিত স্তুতি থাকিব লাগে আৰু দুষ্ট চৰিত্রৰ কার্য্যৰ বর্ণনা থাকিব লাগে।

১৪নং প্রশ্নৰ উত্তৰ ঃ গদ্য আৰু পদ্যময় কাব্যক চম্পূ বোলা হয়।



৬.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ পদ্য কাক বোলে, ই কেই প্রকাৰৰ আৰু কি কি লিখক।

প্রশ্ন ২ ঃ খণ্ডকাব্য কাক বোলে লিখক।

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কোষকাব্য কাক বোলে লিখক।

প্ৰশ্ন ২ ঃ গদ্যকাব্য কাক বোলে, ই কেইবিধ আৰু কি কি লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মহাকাব্যৰ লক্ষণবোৰৰ ওপৰত এটি টোকা ৰচনা কৰক।

*** ***** ***